# পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা (RAP)

## নিৰ্বাহিক সাৰাংশ

### পাতনি

অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্য্যক্ৰম(AIRBMP)বিশ্ববেংকৰ মুঠ ৫০০ নিযুত মাৰ্কিন ডলাৰ১ সাহায্যৰে তিনিটা পৰ্যায়ত অসম চৰকাৰে ৰূপায়ণ কৰিবলৈ লোৱা বাৰ বছৰীয়া ম্যাদৰ এটি বহুপৰ্যায়ী কাৰ্য্যপন্থা (এমপিএ)ৰ প্ৰকল্প।বৰ্তমানৰ কাৰ্য্যখিনি বিশ্ববেংকৰ (প্ৰকল্প বিত্তীয় বিনিয়োগৰ অধীনত)১০৮ নিযুত মাৰ্কিন ডলাৰ সাহায্যৰে প্ৰথম পৰ্যায়ৰ অন্তৰ্গত। ২য় আৰু ৩য় পৰ্যায়ৰ কাৰ্য্যসূচীলৈ বিশ্ববেংকে ক্ৰমে প্ৰায় ১৯২ নিযুত আৰু ২০০ নিযুত মাৰ্কিন ডলাৰ সাহায্য আগবঢ়াব। প্ৰথম পৰ্যায়ৰ প্ৰকল্প উন্নয়নৰ লক্ষ্য হ'ল, 'সংহত জলসম্পদ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ লগতে অসমত বান আৰু খহনীয়াৰ বিপদাশংকাৰ প্ৰতি সহনশীলতা গঢ়ি তুলিবৰ বাবে প্ৰতিষ্ঠানিক সামৰ্থ্য বৰ্দ্ধন কৰা। প্ৰকল্পৰ প্ৰথম পৰ্যায়ত অনুশোচনা বিহীন আৰু জৰুৰী বান আৰু খহনীয়া ৰোধৰ কামৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি পিচৰ পৰ্যায়বোৰত অৰ্থাৎ ২য় আৰু ৩য় পৰ্যায়কেইটা সুকীয়া প্ৰকল্প হিচাপে নদী অৱবাহিকা ব্যৱস্থাপনা পৰিকল্পনা তৈয়াৰ হোৱাৰ পিচত এনে অধিক কাৰ্য্য হাতত লোৱা হ'ব।

এআইআৰবিএমপি হ'ল অসম চৰকাৰে ৰূপায়ণ কৰিবলৈ লোৱা তিনিটা পৰ্যায়ৰ এক বহুখলপীয়া কাৰ্য্যক্ৰমৰ পন্থা (এমপিএ)। কাৰ্য্যক্ৰমৰ প্ৰথটো পৰ্যায়ত অনুশোচনা বিহীন আৰু জৰুৰী বান আৰু খহনীয়া ৰোধৰ কামৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি পিচৰ পৰ্যায় সমূহত অৰ্থাৎ ২য় আৰু ৩য় পৰ্যায়কেইটা সুকীয়া প্ৰকল্প হিচাপে নদী অৱবাহিকা ব্যৱস্থাপনা পৰিকল্পনা তৈয়াৰ হোৱাৰ পিচত এনে অধিক কাৰ্য্য হাতত লোৱা হ'ব।

বেকী হ'ল বিশাল ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ এখন ডাঙৰ উপনৈ, যি ভূটানৰ পৰা নামি আহি বৃহৎ অংশ অসমৰ মাজেদি বৈ গৈছে। বিধ্বংসী বান আৰু তীব্ৰ গৰা-খহনীয়াৰ কবলত পৰা মইনবড়ী এলেকা বেকী অৱবাহিকাৰ এনে এক অসুৰক্ষিত অঞ্চল।

১ Project Appraisal document, AIRBMP.

সেয়েহে, জৰুৰী কালীন বান নিয়ন্ত্ৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে যেনে- বেকী পেকেজ ১, লট-২ ৰ অন্তৰ্ভুক্ত প্ৰস্তাৱিত কাৰ্য্যৰ কিছু সাল-সলনি ঘটাই বৰপেটা জিলাৰ মইনবড়ী এলেকাৰ চিনাক্ত কৰা গুৰুত্বপূৰ্ণ বেকীৰ নদীপাৰৰ মুঠ ৮.৫০ কি.মি দৈৰ্ঘ্যত খহনীয়া প্ৰতিৰোধী ব্যৱস্থা।

## পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰাৰ উদ্দেশ্য

এই পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাখনৰ মূল উদ্দেশ্য হ'ল-প্ৰভাৱিত লোকৰ সামগ্ৰীক জীৱনধাৰণৰ মানদণ্ড উন্নত কৰা।অসমৰ নদী অৱবাহিকা সু-সংহতকৰণ ব্যৱস্থাপনা কাৰ্য্যক্ৰম ৰূপায়ণৰ বাবে কৰা সামাজিক জৰীপৰ ফলাফল আৰু প্ৰস্তাৱিত পুনঃসংস্থাপনৰ নীতি পৰিকাঠামো অনুসৰি জৰুৰীকালীনভাৱে মইনবড়ী অঞ্চলৰ খহনীয়া প্ৰতিৰোধী নিৰ্মাণ কৰ্মৰ বাবে প্ৰভাৱিত লোক/পৰিয়াল/ঘৰসমূহৰ গণনা এই পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাত কৰা হৈছে।

## প্ৰভাৱৰ প্ৰসাৰ চিনাক্তকৰণ

১.১০ হেক্টৰ চৰকাৰী মাটি আৰু ৮.৭৭ হেক্টৰ ব্যক্তিগত মাটিকে ধৰি মুঠ ৯.৮৭ হেক্টৰ মাটি প্ৰস্তাৱিত নদী কৰ্মৰ বাবে প্ৰয়োজন হ'ব।মইনবড়ী অঞ্চলৰ ৬খন গাৱঁৰ ২০৬ ঘৰ প্ৰভাৱিত লোকৰ ১০৭৮(হাটচাৰা ১৪, পশ্চিম মইনবড়ী ৫৮, কিসমৎ মইনবড়ী ২৪, জয়পুৰ ২৭, চিকাৰ তাৰিত ১৮ আৰু তাৰাকান্দিত ৬৫)জন সদস্য আছে। তাৰ মাজত ১৮১ জন পট্টাদাৰ আৰু ২৫ জন পট্টাহীন লোক আছে। গাঁথনিৰ ক্ষেত্ৰত দেখা গৈছে যে নদীপাৰত খহনীয়া প্ৰতিৰোধী নিৰ্মাণ কৰ্ম ৰূপায়ণৰ বাবে ৬ খন গাৱঁত বিস্তৃত হৈ থকা মুঠ ৬২টা গাঁথনি প্ৰভাৱিত হ'ব।

উক্ত গাঁথনিসমূহৰ ভিতৰত ৬১ টা সম্পূৰ্ণ বাসগৃহ(৩৬ টা পট্টাদাৰ আৰু ২৫ টা পট্টাহীন)আছে য'ত প্ৰভাৱিত লোক অন্তৰ্ভুক্তিৰ শেষ তাৰিখ আছিল ক্ৰমে পশ্চিম মইনবড়ীৰ বাবে ২৮/১১/২০২৩, কিসমৎ মইনবড়ীৰ বাবে ০১/১২/২০২৩, জয়পুৰৰ বাবে ০৮/১২/২০২৩, হাটচাৰা আৰু তাৰাকান্দিৰ বাবে ০৯/১২/২০২৩ আৰু চিকাৰ তাৰিৰ বাবে ৩০/১২/২০২৩ য'ত ৬১ টা গাঁথনি সম্পূৰ্ণভাৱে প্ৰভাৱিত হ'ব আৰু ব্যৱসায়িক তথা বাসগৃহ হিচাপে ব্যৱহৃত পট্টাদাৰৰ ১টা গাঁথনি আংশিকভাৱে প্ৰভাৱিত হ'ব। তদুপৰি পট্টাদাৰৰ দুটা গোহালীও আংশিকভাৱে প্ৰভাৱিত হ'ব।

স্থানান্তৰৰ ক্ষেত্ৰত ৬২ টা চিহ্নিত হোৱা গাঁথনি উক্ত মাটিৰ একে দাগ/পট্টা নম্বৰ যুক্ত স্থানতেই স্থানান্তৰিত কৰা হ'ব কাৰণ কোনো প্ৰকল্প প্ৰভাৱিত লোকেই ১০০% মাটি হেৰুওৱা নাই। তথাপি, এই কথা মন কৰিবলগীয়া যে, মইনবড়ী জৰুৰীকালীন কাম-কাজৰ বাবে অৰ্থনৈতিক স্থানান্তৰ হ'ব বুলি ধাৰণা কৰা হৈছে। তদুপৰি, ১৩৫৪ জোপা গছ,(হাটচাৰাত ৬৪, পশ্চিম মইনবড়ীত ৮৩২, কিসমৎ মইনবড়ীত ১১২, জয়পুৰত ১১৩, আৰু তাৰাকান্দিত ২১৩ জোপা)প্ৰকলল্পটো ৰূপায়ণ কৰিবৰ বাবে কাটিবলগীয়া হ'ব।

সমজুৱা সম্পদৰ ওপৰত প্ৰভাৱৰ ক্ষেত্ৰত, ১টা গাঁথনি প্ৰভাৱিত(তাৰাকান্দিত ১টা) হ'ব, যিটো হ'ল-মছজিদৰ চাৰিসীমাৰ দেৱাল। খহনীয়া প্ৰতিৰোধী নিৰ্মাণ কাৰ্য্য ৰূপায়ণৰ প্ৰক্ৰিয়াত মাছমৰীয়াসকলৰ নদীলৈ আহ-যাহৰ বাবে অস্থায়ীভাৱে অসুবিধা হ'ব পাৰে আৰু তাৰ বাবে পৰিৱেশিক আৰু সামাজিক ব্যৱস্থাপনা আঁচনিত যথোপযুক্ত সা-সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে।

## লোকপিয়ল আৰু আৰ্থ-সামাজিক জৰীপৰ ফলাফল

লোকপিয়লৰ প্ৰধান ফলাফল সমূহ হ'ল ক) ১০০% বাসগৃহ ইছলাম ধৰ্মী মানুহৰ ; খ) ৯.১১% পৰিয়ালৰ পেছা হ'ল অদক্ষ শ্ৰমিক হিচাপে কাম কৰা। ১৬.৯৯% পেঞ্চন প্ৰাপ্ত, ৬.১৩ % পৰিয়াল কৃষি শ্ৰমিক আৰু আন ১১.৬% দক্ষ শ্ৰমিক, গ) কোনো প্ৰভাৱিত পৰিয়ালেই দাৰিদ্ৰ্যসীমাৰেখাৰ ভিতৰত নপৰে। ঘ) প্ৰভাৱিত পৰিয়ালসমূহৰ মনকৰিবলগীয়া সংখ্যক মুখীয়াল(২২.৮৮%)অশিক্ষিত, তেওঁলোকৰ ৫.৯৪%ৰ অনানুষ্ঠানিক শিক্ষা আছে, তেওঁলোকৰ মাজৰ ১৬.৪৯% লোকে মাধ্যমিক পৰ্যায়লৈ শিক্ষা গ্ৰহণ কৰিছিল,আৰু ৯.০৬%ই মেট্ৰিকলৈকে পঢ়িছিল। মুঠ প্ৰভাৱিত পৰিয়ালৰ ১১৩ টা অসুৰক্ষিত (৯৯টাত বয়সস্থ লোক, ২০টা পৰিয়ালৰ প্ৰধান নাৰী, আৰু ৩টাত অন্য ভাৱে সক্ষম লোক আছে) হিচাপে বিবেচিত হৈছে।

## পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰাৰ পদ্ধতি

পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰিবৰ বাবে সু-সংহতভাৱে প্ৰভাৱিত পৰিয়ালৰ প্ৰাথমিক তথ্য সংগ্ৰহ, গৌণ উৎসৰ তথ্য সংগ্ৰহ, পৰিস্থিতিৰ চাক্ষুস নিৰীক্ষণ, অংশীদাৰীৰ সৈতে আলোচনা, ভিন ভিন চিহ্নিত প্ৰকল্প স্থলত আলোচনা আৰু সভা, প্ৰধান তথ্য যোগাওতাৰে সভা, সমজুৱাৰে সভা, আৰু বিশেষ মনোযোগৰ দলীয় সভা(এফজিদি)আদি আয়োজন কৰি এক সবিশেষ অধ্যয়ণ

কৰা হৈছে। এই পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰাৰ পদ্ধতি আৰু পন্থা ভাৰত চৰকাৰ, অসমৰ ৰাজ্য চৰকাৰৰ আইন আৰু বিধিত সবিস্তৃত নীতি আৰু প্ৰণালীৰ লগতে বিশ্ব-বেংকৰ সুৰক্ষা মানদণ্ডৰে সু-সংগত।

এই প্ৰতিবেদনে বৰ্তমান মইনবড়ী অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা বৰ্ণনা কৰিছে।
ইয়াত আটাইতকৈ বিপদশংকুল অৱস্থাৰ ছয়খন গাঁও জুৰি থকা ৫.৪১০ কি.মি অগ্ৰাধিকাৰ ভিত্তিত লোৱা নদীপাৰ অঞ্চল সাঙুৰি লোৱা হৈছে। সংহত জৰীপ আৰু গভীৰ সাক্ষাৎকাৰৰ জৰিয়তে খহনীয়া, আৰু আৰ্থ-সামাজিক দিশত তাৰ বিধংসী প্ৰভাৱ অনুধাৱন কৰা, সামগ্ৰিক অৱস্থা, আৰু স্থানীয় সমাজৰ আৰ্থ-সামাজিক অৱস্থা বুজাৰ লগতে প্ৰকল্প প্ৰভাৱিত লোক আৰু পৰিয়ালসমূহৰ আইনগত অধিকাৰ চিহ্নিত কৰিবৰ বাবে প্ৰাথমিক তথ্য সংগ্ৰহ কৰা হৈছিল।প্ৰকল্প এলেকাৰ স্থল বাস্তৱতা, আৰ্থ-সামাজিক অৱস্থা, শাৰিৰীক বৈশিষ্ট্য, আৰু সাংস্কৃতিক পৰম্পৰা নিশ্চিত/পুনৰীক্ষণৰ বাবে বিভিন্ন উৎসৰ পৰা গৌণ তথ্য সংগ্ৰহ কৰা হৈছিল।নদীপাৰত বাস কৰা জনসাধাৰণৰ এক সাধাৰণ অৱস্থাগত চিত্ৰ বিকাশ কৰিবৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত লোৱা নদীপাৰ অঞ্চলৰ এটি ১০০% জৰীপ কৰা হৈছিল।

**অংশীদাৰী জড়িতকৰণ আৰু আলোচনা**

এই পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা প্ৰস্তুত কৰাৰ সময়ত হাটচাৰা, পশ্চিম মইনবড়ী, কিসমৎ মইনবড়ী, জয়পুৰ, চিকাৰ তাৰি আৰু তাৰাকান্দি এই প্ৰকল্প প্ৰভাৱিত গাঁও সমূহত ৰাইজৰ সৈতে আলোচনা কৰা হৈছিল। সামাজিক প্ৰভাৱৰ গণনাৰ বাবে অত্যাৱশ্যকীয় হিচাপে উক্ত সমজুৱা আলোচনা সভা সমূহ পতা হৈছিল।উক্ত আলোচনা সভাবোৰত প্ৰস্তাৱিত প্ৰকল্প সম্বন্ধে অংশীদাৰ সকলক জনোৱাৰ লগতে সেই সম্বন্ধে তেওঁলোকৰ মতামত আৰু পৰামৰ্শসমূহ নথিভুক্ত কৰা হৈছিল। এই পদক্ষেপ সমাজখনৰ ভিতৰৰ বিভিন্ন সামাজিক গোটসমূহৰ মূল সমস্যাবোৰ, প্ৰয়োজন আৰু দুঃচিন্তা সমূহ চিনাক্তকৰণত সহায়ক হৈছিল।
অংশীদাৰসকলৰ প্ৰধান দুঃচিন্তা আছিল প্ৰলম্বিত আৰু অন্যায়মূলক ক্ষতিপূৰণৰ আশংকা; প্ৰকল্প প্ৰভাৱিত লোক, নাৰী, আৰু অন্য দূৰ্বল শ্ৰেণীৰ মাজত স্থানীয় ভূ-মাফিয়াৰ প্ৰৱেশ, প্ৰকল্প ৰূপায়ণৰ সময়ত স্থানীয় শ্ৰমিকৰ নিযুক্তিৰ অনিশ্চয়তা, মাটিৰ অবিৰত ব্যৱহাৰৰ অনিশ্চয়তা, স্থানীয় সমাজ

প্ৰকল্পৰ দ্বাৰা লাভবান হ'ব নে নাই, মাটিৰ মূল্য দিবনে নাই, মূল্যায়ণৰ সময়ত প্ৰচলিত সময়ৰ ন্যায়সংগত ক্ষতিপূৰণ মূল্য ধৰা হ'বনে ইত্যাদি।

## পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণ পদ্ধতি

সন্মতি আৰু বুজা-পৰাৰ মাজেদি প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহণৰ দায়িত্ব বৰপেটা জিলাৰ উপায়ুক্তৰ হাতত ন্যস্ত থাকিব। মাটিৰ মূল্যৰ হাৰ নিৰ্দেশক মূল্য বিবেচনা কৰি তাৰ লগত প্ৰাসংগিক কাৰক পূৰণ কৰি (১ পৰা ২ লৈ)তাৰোপৰি ১০০% সান্ত্বনা ক্ষতিপূৰণ যোগ দি গণনা কৰা হৈছে ; যাতে বজাৰ মূল্যৰ সমান হয়। জাননী দিয়াৰ দিনাৰ পৰা বছৰি ১২% সুতো যোগ দিয়া হ'ব। সংলগ্ন ঘৰ বা সম্পত্তিৰ বাবে ১০০%  মাটিৰ সম্পূৰ্ণ মূল্যৰ লগতে ঘৰৰ মূল্য হিচাপে ২৫% ৰো অধিক পৰ্যন্ত মূল্য দিয়া হ'ব। হ্ৰাস নকৰাকৈ এছঅ'আৰৰ ভিত্তিত গাঁথনিৰ মূল্য গণনা কৰা হৈছে।'ফ্ৰেমা'ই পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণকাৰী বে-চৰকাৰী সংস্থাৰ দ্বাৰা যোগ্য প্ৰকল্প প্ৰভাৱিত লোকে/পৰিয়ালে অধিকাৰ আৰু পুনঃসংস্থাপনৰ কাৰ্য্যপৰিকল্পনাৰ ব্যৱস্থা অনুসৰি ক্ষতিপূৰণ আৰু প্ৰাপ্য সাহায্য পোৱাটো সুনিশ্চিত কৰিব। অনুমোদিত চৰকাৰী মূল্যায়ণকাৰীৰ জড়িয়তে জিলা পৰ্যায়ৰ ভূমি ক্ৰয় কমিটী(ডিএলএলপিচি)য়ে প্ৰভাৱিত সম্পদৰ মূল্যায়ণ কৰিব আৰু কোনো হ্ৰাস আৰোপ নহ'ব। তদুপৰি, যদি  ভিত্তি লোকপিয়ল জৰীপৰ সময়ত প্ৰকল্পৰ বাবে পঞ্জীভূত কোনো মাটি অধিগ্ৰহণৰ আগেয়ে খহনীয়াত পৰে প্ৰভাৱিত পৰিয়ালসমূহক বিত্তীয় সাহায্য প্ৰদান আৰু সহায় কৰিবৰ বাবে 'ফ্ৰেমা'ই পুনঃসংস্থাপনৰ কাৰ্য্যপৰিকল্পনা ভিত্তিৰেখাত থকা বিধানসমূহ ব্যৱহাৰ কৰিব য'ত ০৬/১০/২০২১ তাৰিখৰ নটিফিকেশ্বন আৰজিআৰ.৭৮৫/২০১৪/৯১ত উল্লিখিত 'অসমৰ খহনীয়া প্ৰভাৱিত পৰিয়ালৰ পুনঃসংস্থাপন বিধি ২০২০' অন্তৰ্ভুক্ত থাকিব। তদুপৰি, অসম বান আৰু নদী-খহনীয়া ব্যৱস্থাপনা অভিকৰণে(ফ্ৰেমা) ৰাজহ আৰু ডিএম বিভাগে প্ৰত্যক্ষ ক্ৰয়ৰ বুজাবুজিৰ ব্যৱস্থাপনা যোগে মাটি অধিগ্ৰহণৰ বাবে ২০২২ চনৰ ৭ মাৰ্চত জাৰি কৰা আৰএলএ.১৭৭/২০২১/৩ নং জাননী খন আৰু একেখন জাননীৰ ২৩ আগষ্টত জাৰি কৰা পিচৰ সংশোধনী  আৰএলএ.২৩১০১৩/৩৭ নং জাননী অনুসৰণ কৰিব। প্ৰভাৱিত লোকৰ পৰা ব্যক্তিগত ভাৱে স্বাক্ষৰিত সন্মতি পত্ৰ পোৱাৰ ৪৫ দিনৰ পিচত মাটি আৰু সম্পত্তিৰ বাবদ চৰকাৰে ক্ষতিপূৰণ দিব - কাৰণ প্ৰবল আৰু অধিক গৰা-খহনীয়া ৰোধ কৰি মানুহৰ সম্পত্তিৰ লোকচান হ্ৰাস কৰিবৰ বাবে গৰা-খহনীয়া প্ৰতিৰোধৰ কাম তাৎক্ষণিক ভাৱে লোৱাৰ প্ৰয়োজন।প্ৰকল্প ক্ষেত্ৰত দৈনিক ভাৱে প্ৰৱল আৰু তীব্ৰ গতিত চলি থকা খহনীয়াৰ কথা বিবেচনা কৰি প্ৰকল্পৰ

প্রভাৱিত এলেকাৰ ভিতৰত ঘৰ বা সম্পত্তি থকা লোকসকলৰ আগতীয়াকৈ বহল ভিত্তিক সন্মতি লোৱা হৈছে। অসামৰিক কাম-কাজ আৰম্ভ হোৱাৰ আগেয়ে প্রভাৱিত লোকসকলৰ পৰা ব্যক্তিগত ভাৱে স্বাক্ষৰ কৰা সন্মতি পত্ৰৰ লগতে ক্ষতিপূৰণৰ যোগ্যতাৰ আন নথি-পত্ৰ/ পৰিচয় পত্ৰ আদিও সংগ্ৰহ কৰা হ’ব।

## পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ বাবে আনুষ্ঠানিক আয়োজন

পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ বাবে সম্যক দ্বায়িত্ব মুখ্য কাৰ্য্যবাহী বিষয়াৰ নেতৃত্বত প্রকল্প ব্যৱস্থাপনা গোট, ফ্ৰেমাৰ ওপৰত ন্যস্ত থাকিব যিয়ে ‘এআইআৰবিএমপি’ৰ অধীনৰ সকলো প্রকল্প কাৰ্য্যৰ লগতে পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণ যথাসময়ত সাৰ্থকভাৱে কাৰ্য্যকৰী হোৱাটো নিশ্চিত কৰিব। জৰুৰী কালীন কাম-কাজখিনি কাৰ্য্যকৰী কৰাত সহায়ক হ’বৰ বাবে ‘ইএছআইএ’ আৰু ‘আৰএপি’ প্ৰস্তুত কৰিবলৈ আৰম্ভনিতে তথ্য সংগ্ৰহৰ বাবে নিয়োজিত বে-চৰকাৰী সংস্থাটোকে বৰপেটা জিলাৰ মইনবড়ী এলেকাত পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা(আৰএপি)ৰূপায়ণৰ বাবে তাৎক্ষণিক ভাৱে নিয়োজিত কৰিবৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। মইনবড়ী এলেকাত ‘আৰএপি’ ৰূপায়ণৰ বাবে প্রয়োজনীয় বিষয়া আৰু অন্য ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া নিয়োজিত কৰাৰ দ্বায়িত্ব বে-চৰকাৰী সংস্থাটোৰ ওপৰত ন্যস্ত থাকিব।‘আৰএফপি’ অনুসৰি সফলভাৱে ‘আৰএপি’ত আগবঢ়োৱা ব্যৱস্থাৱলী ৰূপায়ণৰ বাবে বে-চৰকাৰী সংস্থাটোৱে জিলা প্ৰশাসনৰ ৰাজহ বিভাগ আৰু ‘পিআইইউ’ৰ লগত সমন্বয় কৰিব।প্রকল্পটোৰ ‘ইএছএমপি’ ৰূপায়ণৰ বাবে প্রকল্প পৰ্য্যায়ত প্রকল্প ব্যৱস্থাপনা আৰু প্ৰযুক্তি কনচালটেণ্ট(পিএমটিচি)টীম আছে।ক্ষেত্ৰ পৰ্য্যায়ত প্রতিটো কন্ট্ৰেক্ট পেকেজৰ বাবে পিএমটিচিৰ নিৰ্দেশনাৰ অধীনত ‘ইএছএমপি’ ৰূপায়ণ কৰিবলৈ কন্ট্ৰেক্টৰজন দ্বায়বদ্ধ থাকিব। নিৰীক্ষণৰ ভিতৰত থাকিব পৰিকল্পনা মতে প্ৰস্তাৱিত কাৰ্য্যাৱলী সম্পন্ন কৰা হৈছে নে নাই নিশ্চিত হ’বৰ বাবে সময় সাপেক্ষ সত্যাপন।

## লিংগ বিবেচনা

চিহ্নিত হোৱা ২০৬ টা প্রভাৱিত পৰিয়ালৰ ভিতৰত ২০ টা নাৰী পৰিচালিত পৰিয়াল আছে। এই পৰিয়ালবোৰৰ বৈশিষ্ট্য হ’ল নিৰ্ভৰশীল লোকৰ সংখ্যা বেছি আৰু অৰ্থনৈতিক দূৰ্বলতা। আলোচনা সভাবোৰত মহিলাসকলৰ উপস্থিতি আছিল বিশেষ। তেওঁলোক নদীপাৰ খহনীয়া আৰু সাৰুৱা মাটি

হেৰুওৱাকলৈ চিন্তিত আছিল আৰু তেওঁলোকে কাম কৰাৰ সুবিধাৰ বিষয়ে জানিবলৈ বিচৰাৰ লগতে নিৰ্মাণৰ সময়ত কাম কৰিবলৈ ইচ্ছা প্ৰকাশো কৰিছিল।

**অভিযোগ নিৰাময় প্ৰক্ৰিয়া**

অভিযোগ নিৰাময় প্ৰক্ৰিয়াটো ২(দুই)টা পৰ্য্যায়ত গঠিত, যেনে (i) প্ৰকল্প পৰ্য্যায়, (ii) অংশীদাৰীসকলৰ অভিযোগবোৰ জিলা পৰ্য্যায়ত জলসম্পদ বিভাগে চোৱা-চিতা কৰে; আৰু 'ফ্ৰেমা' (FREMAA) হ'ল সৰ্বোচ্চ এপিলেইট কৰ্তৃপক্ষ। প্ৰকল্প পৰ্য্যায়ৰ অভিযোগ নিৰাময় সমিতিত জল সম্পদ বিভাগৰ সংশ্লিষ্ট ডিভিজনৰ কাৰ্য্যবাহী অভিযন্তাৰ প্ৰতিনিধি, বিভাগৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা, আৰএপি ৰূপায়ণ তত্বাৱধান কৰা দ্বায়িত্ববাহী বিষয়া আৰু ২গৰাকী স্থানীয় সমাজৰ (মহিলা)লোক থাকিব। অভিযোগ নিৰাময় সমিতিৰ মূল দ্বায়িত্ব হ'ল – প্ৰকল্প প্ৰভাৱিত লোকৰ ভূমি/সম্পত্তি অধিগ্ৰহণৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাৰ প্ৰতি সহযোগিতা আগবঢ়োৱা, প্ৰকল্প প্ৰভাৱিত লোকৰ অভিযোগসমূহ তথ্য সন্নিৱিষ্ট কৰা, অভিযোগ সমূহ শ্ৰেণীবদ্ধ কৰি অগ্ৰাধিকাৰ দিয়া আৰু সেইবোৰ সমাধান কৰা।প্ৰকল্প পৰ্য্যায়ত অভিযোগ সমাধান নহ'লে সেইবোৰ জিলা পৰ্য্যায়ৰ অভিযোগ নিৰাময় সমিতিলৈ নি সমাধান কৰা হ'ব। জিলা পৰ্য্যায়ৰ অভিযোগ নিৰাময় সমিতিত যদি সমাধান নহয়, তেন্তে তেনে অভিযোগ FREMAAৰ প্ৰকল্প ব্যৱস্থাপনা গোট পৰ্য্যায়ৰ এপিলেইট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হ'ব। অভিযোগ নিৰাময় প্ৰক্ৰিয়াটোৰ যিকোনো পৰ্য্যায়ত প্ৰকল্প প্ৰভাৱিত লোকৰ অভিযোগবোৰ মাটি অধিগ্ৰহণৰ সঠিক যোগ্য প্ৰশাসনিক কৰ্তৃপক্ষ আৰু সঠিক আইনী আদালতত উত্থাপন কৰাৰ অধিকাৰ থাকিব।

**বাজেট**

বাজেট প্ৰস্তুতিৰ নিৰ্দেশনা ক্ষতিপূৰণ সাহায্যৰ নিৰ্ধাৰক সূচীত থকা স্থিতিমাপৰ ভিত্তিত লোৱা হৈছে য'ত প্ৰভাৱিত লোকৰ ভূমিৰ ক্ষতিপূৰণৰ লগতে স্থানান্তৰৰ ক্ষতিপূৰণৰ সন্নিৱিষ্ট আছে।দূৰ্বল শ্ৰেণীৰ প্ৰকল্প প্ৰভাৱিত লোকৰ বাবেও বাজেটত অতিৰিক্ত পুনঃসংস্থাপন সাহায্যৰ সুবিধা আছে। পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ সময়ত অভাৱনীয় ভাৱে আহি পৰা খৰচ সামৰিবৰ বাবে মুঠ পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাৰ ১% আকস্মিকতা সুবিধাৰ শিতানত(contingency provision)পৃঠক ভাৱে ৰখা হৈছে। পুনঃসংস্থাপনৰ মুঠ বাজেট হ'ল ৮,৯১,৯৯,০৩৫ টকা যিটো ৰাজ্য চৰকাৰৰ মঞ্জুৰীকৃত দানৰ পৰা অহা আৰু FREMAA ৰ দ্বাৰা

অনুমোদিত। ভূমি অধিগ্ৰহণ তথা পুনঃসংস্থাপন আৰু পুনৰ্বাসনৰ ব্যয় মুঠ প্ৰকল্প ব্যয়ৰ এক অংশ হিচাপে ধৰা হৈছে আৰু সেই ব্যয় অসম চৰকাৰৰ পৰা পোৱা অৰ্থাংশৰ পৰা কৰা হ'ব, যিটো প্ৰতিপক্ষৰ অৰ্থাংশৰ অন্তৰ্ভুক্ত হ'ব। বিশ্ববেংকৰ ঋণ সামগ্ৰী ক্ৰয়, বে-চৰকাৰী সংস্থাৰ কনচালটেন্সি, নিৰীক্ষণ আৰু মূল্যায়ণ সেৱা আদিৰ বাবে প্ৰয়োজন হ'লে প্ৰযোজ্য প্ৰকিউৰমেণ্ট নিৰ্দেশনা অনুযায়ী উপলব্ধ হ'ব।

**নিৰীক্ষণ আৰু মূল্যায়ণ**

পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ আঁচনি তথা বিধি আৰু ক্ষতিপূৰণ সাহায্যৰ নিৰ্ধাৰক পৰিকাঠামো অনুযায়ী সফল আৰু সঠিকভাৱে সম্পন্ন কৰিবলৈ পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণ ব্যৱস্থাৰ নিৰীক্ষণ আৰু মূল্যায়ণৰ প্ৰয়োজন হ'ব। নিৰীক্ষণ আৰু মূল্যায়ণ এক অবিৰত পদ্ধতি হৈ থাকিব য'ত আন্তঃ আৰু বাহ্যিক দুয়ো ধৰণৰ নিৰীক্ষণ অন্তৰ্ভুক্ত থাকিব। ভিন ভিন বিৰতিত ৰূপায়ণৰ অগ্ৰগতি তথা অনুবৰ্তিতা সম্পৰ্কে বিশ্ব বেংকক প্ৰতিবেদন দাখিল কৰাত প্ৰকল্প ব্যৱস্থাপনা গোটে এক প্ৰধান ভূমিকা ল'ব।

**অসামৰিক (নিৰ্মাণ) কৰ্মৰ স'তে সমন্বয়**

সামগ্ৰী আহৰণ আৰু নিৰ্মাণ কৰ্ম আৰম্ভনিৰ সময়ৰ স'তে পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাৰ ৰূপায়ণ সমন্বিত ভাৱে কৰা হ'ব। প্ৰয়োজনীয় সমন্বয় সামগ্ৰী আহৰণ, নিবিদাৰ সময় সূচী, ঠিকা প্ৰদান, আৰু ঠিকাদাৰক দ্বায়বদ্ধতা মুক্ত মাটি আৰু প্ৰকল্প ক্ষেত্ৰ প্ৰদানৰ স'তে সাঙোৰ খাই থাকিব। নিৰ্মাণ কৰ্ম আৰম্ভ হোৱাৰ আগেয়ে মাটি বা সম্পত্তি আদি এৰি দিবলৈ আৰু ক্ষতি পূৰণ পোৱাৰ পিচতো যাতে অযথা কষ্ট কৰিবলগীয়া নহয় তাৰ বাবে প্ৰকল্পটোৱে প্ৰভাৱিত লোকলৈ যথাযথ পৰিমাণৰ প্ৰয়োজনীয় জাননী, গোহাৰি, পৰামৰ্শ আৰু সাহায্য আদি আগবঢ়াব।

প্ৰথমতে, খহনীয়া প্ৰতিৰোধী কাম তাৎক্ষনিক ৰূপায়ণৰ বাবে প্ৰকল্প ক্ষেত্ৰত সোমোৱাৰ আগেয়ে ঠিকাদাৰক চৰকাৰী আৰু কৃষিভূমি হস্তান্তৰ কৰা হ'ব। একেসময়তে, প্ৰভাৱিত এলেকাত বাস কৰি থকা লোকসকলক উপযুক্ত ঠাইলৈ স্থানান্তৰিত কৰি তাত থকা গাঁথনি সমূহো খালী কৰা হ'ব যাতে নিৰ্মাণকৰ্ম ৰূপায়ণৰ বাবে সেই মাটি ঠিকাদাৰক হস্তান্তৰ কৰিব পাৰি। প্ৰকল্প ব্যৱস্থাপনা গোটে নিৰ্মাণ কৰ্ম আৰম্ভ কৰাৰ সময়ত ঠিকাদাৰক দ্বায়বদ্ধতা মুক্ত ভূমি হস্তান্তৰ আৰু লগতে

ঠিকাদাৰসকলক সময় অনুসৰি ভূমি হস্তান্তৰ কৰাটো নিশ্চিত কৰিব আৰু পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাৰ ৰূপায়ণ কৰ্মসূচী সামগ্ৰী আহৰণ আৰু নিৰ্মাণ কৰ্মৰ সময়-সূচীৰ সমন্বয়ত গ্ৰহণ কৰাটো নিশ্চিত কৰিব।ভূমি অধিগ্ৰহণ কৰি ঠিকাদাৰক ভূমি হস্তান্তৰ কৰাৰ আগেয়ে প্ৰকল্প ব্যৱস্থাপনা গোটে/ প্ৰকল্প ৰূপায়ণ গোটে উক্ত ভূমিৰ ক্ষতিপূৰণ প্ৰদানৰ প্ৰমাণ পত্ৰ দিব।নদী পাৰ খহনীয়াৰ প্ৰৱলতা বিবেচনা কৰি, কামটো তাৎক্ষণিক ভাৱে হাতত লোৱাৰ পক্ষে সমজুৱাৰ সভাত আলোচনা কৰা হয়, ৪৫ দিনৰ ভিতৰত ক্ষতিপূৰণ পোৱাৰ বিনিময়ত নিৰ্মাণৰ কাম-কাজৰ বাবে প্ৰয়োজনীয়া ভূমি এৰি দিবলৈ প্ৰভাৱিত লোকসকলে আগতীয়াকৈ স্বাক্ষৰিত সন্মতি পত্ৰ প্ৰদান কৰিব। দুয়ো পক্ষই সন্মত হোৱাৰ ধৰণে খহনীয়া প্ৰতিৰোধী নিৰ্মাণ কৰ্মৰ বাবে ব্যক্তিগত স্বাক্ষৰযুক্ত সন্মতি পত্ৰ প্ৰদানৰ ৪৫ দিনৰ ভিতৰত প্ৰভাৱিত ভূমি/সম্পত্তিৰ বাবদ স্থানান্তৰ, সম্পদ স্থানান্তৰ আদি সকলো ধৰণৰ ক্ষতিপূৰণ আৰু পুনঃসংস্থাপন সাহায্য দিয়া হ'ব।

## পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ সময়-সূচী

মইনবড়ীৰ জৰুৰীকালীন কাম-কাজৰ অধীনৰ পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ সময়-সূচী ছয় মাহৰ ভিতৰত ধৰি লোৱা হৈছে, য'ত সকলো শাৰিৰীক আৰু অৰ্থনৈতিক ভাৱে স্থানান্তৰিত লোকেই ক্ষতিপূৰণ সাহায্যৰ নিৰ্ধাৰক সূচী অনুসৰি সঠিক ক্ষতিপূৰণ পোৱাটো নিশ্চিত কৰিবৰ বাবে দুমাহ সময় বেছিকৈ ৰখা হৈছে।

ইতিমধ্যে উল্লেখ কৰা ধৰণে, মইনবড়ী এলেকাৰ ছয়খন গাওঁ-হাটচাৰা, পশ্চিম মইনবড়ী, কিসমৎ মইনবড়ী, জয়পুৰ, চিকাৰ তাৰী, আৰু তাৰাকান্দিত অহৰহ আৰু প্ৰৱল নদীপাৰ খহনীয়াৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিক খহনীয়াৰোধৰ কাম জৰুৰী হৈ পৰিছে। ঠাইখিনিত নিৰ্মাণ কৰ্ম অতি জৰুৰী যদিও, প্ৰযোজ্য 'ইএছএছ' মনত ৰখা হ'ব আৰু সেই অনুসৰি প্ৰভাৱিত লোকক যথাযথ ক্ষতিপূৰণ দিয়া হ'ব।

তথাপি, এই ক্ষেত্ৰত বৰ্তমানৰ পৰিস্থিতি বিবেচনা কৰি, খহনীয়া প্ৰতিৰোধী নিৰ্মাণ কৰ্ম তাৎক্ষণিক ভাৱে হাতত ল'বৰ বাবে উল্লিখিত গাওঁ কেইখনত প্ৰভাৱিত লোকে প্ৰকল্প কৰ্তৃপক্ষক প্ৰয়োজনীয় মাটি এৰি দিবলৈ আগতীয়াকৈ সন্মতি দিবৰ বাবে আলোচনা কৰা হৈছিল।

খহনীয়াই সৃষ্টি কৰা গম্ভীৰ পৰিস্থিতি আৰু প্ৰভাৱিত লোকৰ আগতীয়া সন্মতিৰ ভিত্তিত প্ৰথমে নিৰ্মাণ কৰ্ম আৰম্ভ হ'ব আৰু তাৰ সমান্তৰালভাৱে প্ৰভাৱিত লোকক ৪৫ দিনৰ ভিতৰত(আগতীয়াকৈ স্বাক্ষৰিত সন্মতি পত্ৰ প্ৰদানৰ তাৰিখৰ পৰা) ক্ষতিপূৰণ প্ৰদানৰ কামো কৰি থকা হ'ব। 'এএছএছ'ৰ দফা ১৬ৰ প্ৰসংগৰে বৰপেটা জিলাত সুতসহ এছক্ৰ'(Escrow) একাউণ্ট ইতিমধ্যে খোলা হৈছে আৰু ০৫/১১/২০২৩ তাৰিখৰ বিআৰএলএ-৩২/২০১০/৩৩৭ নং চিঠি যোগে তাক নিশ্চিতও কৰা হৈছে। যদিও লোক-পিয়লৰ সময়ত এলেকাটোৰ পৰা কোনো প্ৰভাৱিত লোকক এৰা হোৱা নাছিল, তথাপি ক্ষতিপূৰণ প্ৰদানৰ সময়ত আইনসন্মত মালিকীস্বত্ব সম্পৰ্কীয় মত বিৰোধ উত্থাপিত হ'ব পাৰে, সেই বাবেই এছক্ৰ'(Escrow) একাউণ্ট আৰম্ভ কৰা হৈছে। ০৭/০৩/২০২২ তাৰিখৰ আৰএলএ.১৭৭/২০২১/৩ চাৰ্কুলাৰ অনুসৰি ওপৰঞ্চি ২৫% বিত্তীয় পৰিমাণৰ সুবিধাও বিবেচনা কৰা হৈছে।

প্ৰৱল আৰু সঘন নদী পাৰ খহনীয়াৰ কথা বিবেচনা কৰি মইনবড়ী এলেকাত খহনীয়া প্ৰতিৰোধী উপ-প্ৰকল্পটি জৰুৰী কাম-কাজৰ অধীনত লোৱা হৈছিল – সমজুৱাৰে আলোচনাৰ সময়ত এই কথা আলোচনা কৰা হৈছিল যে তাৎক্ষণিক ভাৱে কাম আৰম্ভ কৰিবলৈ প্ৰকল্পৰ বাবে প্ৰয়োজনীয় মাটি অধিগ্ৰহণৰ বাবে প্ৰভাৱিত লোকে আগতীয়া সন্মতি প্ৰদান কৰিব আৰু আগতীয়া স্বাক্ষৰিত সন্মতি প্ৰদানৰ তাৰিখৰ পৰা ৪৫ দিনৰ ভিতৰত ক্ষতিপূৰণ গ্ৰহণ কৰিব। প্ৰকল্প প্ৰভাৱিত লোকৰ পৰা ইতিমধ্যে বহল ভাৱে সামূহিক সন্মতি লোৱা হৈছিল যদিও জৰুৰী কাম-কাজখিনিৰ বাবে প্ৰস্তুত কৰা ব্যক্তিগত সন্মতি পত্ৰৰখনত ব্যক্তিগত ভাৱে স্বাক্ষৰিত সন্মতি পত্ৰ ল'বলৈকো ঠিৰাং কৰা হয়।

জিলা প্ৰশাসনৰ বিষয়াৰ উপস্থিতিত আৰএপি ৰূপায়নকাৰী এনজিঅ'ই ব্যক্তিগত ভাৱে স্বাক্ষৰিত সন্মতি পত্ৰ গ্ৰহণ কৰিব। মইনবড়ী এলেকাত ২০৬ জন প্ৰকল্প প্ৰভাৱিত লোকৰ ২৫ জন পট্টাহীন হিচাপে চিনাক্ত হৈছে, যাৰ বেংক একাউণ্ট সম্পৰ্কীয় সৱিশেষ ইতিমধ্যে সংগ্ৰহ কৰা হৈছে। ওপৰত উল্লেখিত ধৰণে ৪৫ দিনৰ ভিতৰত প্ৰাপ্য ক্ষতিপূৰণ প্ৰদানত পলম হ'লে প্ৰভাৱিত লোকে ইচ্ছা কৰিলে তুৰন্তে সমাধানৰ বাবে বিষয়টো অভিযোগ নিৰাময় সমিতিত  উত্থাপন কৰিব পাৰে। 'ফ্ৰেমা'ই ইতিমধ্যে বৰপেটা জিলা প্ৰশাসনক কোনো লোককে উৎখাত নকৰিবলৈ পৰামৰ্শ দিছে।

অৱস্থাই দাবী কৰা মতে, প্ৰণালীটো খৰতকীয়া কৰিবৰ বাবে সামাজিক-অৰ্থনৈতিক জৰীপ সম্পূৰ্ণ হোৱাৰ পিচতে জিলা প্ৰশাসন আৰু ৰাজহ বিভাগৰে সমন্বয় কৰি  নিয়োজিত বে-চৰকাৰী সংস্থা(এনজিঅ')/পিআইইউ/পিএমইউ ৰ দ্বাৰা যুটীয়া ভাৱে দুটা পৰ্যায়ত সংশ্লিষ্ট গাওঁ সমূহত

শিৱিৰ পাতিবলৈ প্ৰস্তাৱ দিয়া হৈছে। প্ৰথম পৰ্যায়ৰ শিৱিৰত গাওঁবাসীৰ(প্ৰভাৱিত লোক)আগতীয়াকৈ স্বাক্ষৰ কৰা সন্মতি পত্ৰৰ লগতে সকলো আইনী আৰু অন্যান্য প্ৰয়োজনীয় নথি-পত্ৰ গ্ৰহণ কৰা হ'ব আনহাতে, দ্বিতীয় পৰ্যায়ৰ শিৱিৰ ৪৫ দিনৰ ভিতৰত যথাযোগ্য ক্ষতিপূৰণ প্ৰদানৰ লগতে অভিযোগ আৰু নিৰাময়ৰ শুনানিৰ বাবে আয়োজন কৰা হ'ব।

তদুপৰি, পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ বাবে নিয়োজিত এনজিঅ'ই প্ৰকল্প প্ৰভাৱিত বাসগৃহৰ স্থানান্তৰিত সংস্থাপনত(relocation) সহায় আগবঢ়াব। ওপৰঞ্চি ভাৱে, (প্ৰয়োজন সাপেক্ষে)বিকল্প মাটি নথকা বা বিকল্প মাটি বিচাৰি উলিয়াবলৈ অসমৰ্থ প্ৰভাৱিত লোকসকলক একে এলেকাতে স্থানান্তৰৰ বাবে বিকল্প মাটি চিনাক্ত কৰি উলিয়াবলৈ নিয়োজিত এনজিঅ'ই সহায় সেৱা আগবঢ়াব।সামূহিক আলোচনা সভাবোৰত একে এলেকাৰ ওচৰতে বিকল্প বিচাৰিব বুলি প্ৰভাৱিত লোকসকলে নিশ্চিত কৰিছিল। একে তথ্যৰ স্থানীয় ৰাজহ বিভাগৰ কাৰ্যালয়ৰ যোগেদিও সত্যাপন কৰা হৈছিল।

**প্ৰকাশ আৰু আপডেইট**

FREMAA ই প্ৰকল্প প্ৰভাৱিত লোক আৰু আন অংশীদাৰসকলক উপ-প্ৰকল্পটোৰ প্ৰভাৱ, তেওঁলোকৰ অধিকাৰ, বিকল্পসমূহ সম্পৰ্কে জনোৱা, তেওঁলোকৰ স'তে আলোচনা কৰা আদিৰ লগতে উপ-প্ৰকল্পটোৰ বিকাশত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰিব। পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনাখন(অসমীয়া ভাষাত), বিভিন্ন পুনঃসংস্থাপন আৰু পুনৰ্বাসনৰ সুবিধাৰ বাবে যোগ্য প্ৰকল্প প্ৰভাৱিত লোক/ পৰিয়ালৰ তালিকা, পুনঃসংস্থাপনৰ কাৰ্য্য পৰিকল্পনা ৰূপায়ণৰ পৰ্যায় আদি 'ফ্ৰেমা' আৰু জলসম্পদ বিভাগৰ ৱেবছাইটত প্ৰকাশ কৰিব আৰু একে সময়তে সেইবোৰ জিলা উপায়ুক্তৰ কাৰ্য্যালয় আৰু প্ৰকল্প ৰূপায়ণ গোটৰ ডিভিজনেল কাৰ্য্যালয়তো উপলব্ধ হ'ব।